# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-02-2025
**Time :** 1205 hrs

## *Assamese Midday Bulletin*

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীৰ অষ্টম সংস্কৰণত দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমৰো কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। খন্তেক সময় পূৰ্বে সমাপ্ত হোৱা তথা আজি দিনৰ ১১ বজাৰ পৰা প্ৰচাৰ কৰা এই অনুষ্ঠানত নিউ গুৱাহাটী ৰেলৱে কলনী হাইস্কুল, নিউ গুৱাহাটী আদৰ্শ হাইস্কুল, নুনমাটি হাইস্কুল, কোকৰাঝাৰৰ মাজালিপাৰা এম ভি স্কুল, গোৱালপাৰা নটসূৰ্য ফণী শৰ্মা ভৱন আদিত পৰীক্ষা পে চৰ্চা কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন জিলাত এই অনুষ্ঠান পৰ্দাৰ জৰিয়তে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। এই প্ৰদৰ্শনত সংশ্লিষ্ট অঞ্চলৰ বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, শিক্ষাৰ্থী আৰু অভিভাৱকে ভাগ লয়। এই অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰীক্ষাৰ পূৰ্বে শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে প্ৰস্তুতি আৰু মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত বাৰ্তালাপ কৰে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত **পৰীক্ষা পে চৰ্চা**ৰ এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ইউ টিউব চেনেল তথা তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত দেশৰ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ অংশগ্ৰহণ কৰে।

ooooo

গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত আজিৰ পৰা দুদিনীয়াকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে একাধিক ৰোড শ্ব'ত অংশ লোৱাৰ লগতে শীৰ্ষ উদ্যোগপতি আৰু ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰিব। তদুপৰি এই ভ্ৰমণত মুখ্যমন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ, ডিপ টেকন'লজি, আন্তঃগাঁথনি আৰু নিৰ্মাণ আদি খণ্ডত ৰাজ্য চৰকাৰে আগবঢ়োৱা বিভিন্ন সা-সুবিধাসমূহৰ বিভিন্ন দিশ আলোকপাত কৰিব। তেওঁ বাণিজ্যিক সহযোগিতা তথা বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ ছিংগাপুৰৰ ঔদ্যোগিক নেতৃবৃন্দৰ সৈতে বহুকেইখন পৃথক বৈঠকতো অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে, এডভাণ্টেজ আছাম সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ উপৰি বিভিন্ন উদ্যোগপতি আৰু প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকিব।

ooooo

আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস। এই বিশেষ উপলক্ষত বিদ্যালয়লৈ যোৱা শিশুসকলক বিদ্যালয়তে পেলুনাশক বড়ি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। আজি শিক্ষানুষ্ঠানত অনুপস্থিত থকা শিশুসকলক অহা ১৭ ফেব্ৰুৱাৰীলৈ এই বড়ি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি আশা আৰু অংগনবাড়ীৰ কৰ্মীসকলে সকলো অংগনবাড়ী কেন্দ্ৰৰ উপৰি গৃহ পৰিদৰ্শনৰ জৰিয়তে ১ৰ পৰা ১৯ বছৰ বয়সৰ সকলো শিশু তথা

কিশোৰ-কিশোৰীক পেলু মুক্ত হোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পেলুৰ সংক্ৰমণৰ পৰা হাত সাৰিবলৈ হাতৰ নখ চাফা আৰু চুটি কৰি ৰখা, খোৱাৰ আগত আৰু শৌচালয় ব্যৱহাৰৰ পাছত চাবোনেৰে হাত ধোৱা, শৌচালয় ব্যৱহাৰ কৰা, ঘৰৰ চৌদিশ চাফ-চিকুন কৰি ৰখা, ফল-মূল, শাক-পাচলি আদি পৰিষ্কাৰ পানীৰে ধোৱা, বিশুদ্ধ পানীহে সেৱন কৰাকে ধৰি স্বাস্থ্যসন্মত দিশসমূহত গুৰুত্ব দিবলৈ ৰাজ্যৰ স্বাস্থ্য বিভাগে সকলোৰে প্ৰতি আহ্বান জনাইছে।

ooooo

আকাশবাণী গুৱাহাটী যোগে কালি প্ৰচাৰিত সাপ্তাহিক সংবাদ চলন্তিকা অনুষ্ঠানত গুৱাহাটী মহানগৰীৰ জীৱনযাত্ৰা সম্পৰ্কীয় অনুষ্ঠানৰ প্ৰথম অংশ প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত মহানগৰীখনত জীৱন সংগ্ৰাম কৰি থকা একাংশ লোকৰ জীৱনশৈলী তুলি ধৰাৰ প্ৰয়াস কৰা হয়। জীৱিকাৰ বাবে তথাকথিত সৰু সৰু সমলেৰে উপাৰ্জনৰ প্ৰয়াস কৰা এই লোকসকলে মহানগৰীখনক অন্য মাত্ৰা প্ৰদান কৰাই নহয় মহানগৰবাসীৰ দৈনন্দিন জীৱনকো সমৃদ্ধ কৰি আহিছে। এই অনুষ্ঠানত দৈনিক বাতৰিকাকত বিলোৱা ব্যক্তিগৰাকীৰ পৰা আৰম্ভ কৰি কেইবাগৰাকীও ব্যক্তিক সামৰি লোৱা হৈছিল। আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে এই অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা কৰে।

ooooo

কৰ্কট ৰোগৰ প্ৰতিষেধক উদ্ভাৱনৰ গৱেষণাৰে ৰাজ্যৰ যুৱ বিজ্ঞানী ড০ দেবীভাষা বৰদলৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিছে। কৰ্কট আৰু আন সংক্ৰমণক প্ৰাথমিক পৰ্যায়তে প্ৰতিৰোধ কৰিব পৰাকৈ প্ৰতিষেধক উদ্ভাৱন কৰাৰ ক্ষেত্ৰত ড০ বৰদলৈৰ গৱেষণাই আশাৰ বতৰা কঢ়িয়াই আনিছে। এই সন্দৰ্ভত তেওঁৰ কেইবাখনো গৱেষণা পত্ৰ আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকাত প্ৰকাশ হৈছে। বৰ্তমান তেওঁ ভূপালৰ ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত জীৱ বিজ্ঞান বিভাগৰ সহকাৰী প্ৰবক্তা হিচাপে কাম কৰি আছে।

ooooo

ইংলেণ্ডৰ বিৰুদ্ধে কালি কটকত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰত ৪ উইকেটত জয়ী হয়। এই জয়ৰ জৰিয়তে ভাৰতে শৃংখলাত ২-০ৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

ভাৰতে অধিনায়ক ৰোহিত শৰ্মাৰ শতক তথা শুভমন গিল, শ্ৰেয়ছ আয়াৰ আৰু অক্ষৰ পেটেলৰ দৰ্শনীয় বেটিঙৰ সহায়ত ৪৪ অভাৰ আৰু তিনিটা বলত আলহী দলটোৰে বান্ধি দিয়া ৩০৫ ৰানৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। ৰোহিত শৰ্মাই ৯০টা বলত ১১৯, শুভমন গিলে ৬০, শ্ৰেয়াছ আয়াৰে ৪৪ আৰু অক্ষৰ পেটেলে অপৰাজিত ৪১ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ গাছ এটকিনছনে সৰ্বাধিক দুটা উইকেট লাভ কৰে।

ooooo

**সমাপ্ত**